CAREERINDIA

# Sample Question Paper Design - 2020-2021
## Subject : Assamese
## Class : XII
## Code : 114
## SET - I

**Time : 3 Hours** **Marks : 40 + 40 = 80**

## PART - A

১। অনুচ্ছেদটো ভালদৰে পঢ়া আৰু তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখাঃ

সমগ্ৰ অসম ৰাজ্যখনেই বিভিন্ন জাতি, উপজাতি আৰু জনজাতীয় জনগোষ্ঠীৰে যে পৰিপূৰ্ণ এনে নহয় — নানা সমস্যাৰেও পৰিপূৰ্ণ। সেইদৰে অসমৰ সংস্কৃতিও বাৰেবৰণীয়া আৰু বৈচিত্ৰ্যপূৰ্ণ। ত্ৰয়োদশ শতিকাত হুকং উপত্যকাৰ পৰা অহা আৰু চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ পৰা অহা মংগোলীয় বহিৰাগত গোষ্ঠীৰ কাৰণে অসমেই আছিল স্থিতি লোৱা ঠাই। এই সকল অহাৰ আগতে অসম আছিল জন-জাতীয় গোষ্ঠীৰ অৰ্থাৎ অনাৰ্য জাতিৰ বসতি স্থান। ঘাইকৈ কছাৰী, চুটিয়া, কোচ, মেচ, ডিমাচা, দেউৰী, মিচিং, বড়ো তিৰা, কাৰ্বি আদিৰ বসতি স্থান। গতিকে মূলতে অসমীয়া জন সংস্কৃতিৰ ধাৰক এইবোৰ জাতি-গোষ্ঠীয়েই আছিল। অতীত অসম বা কামৰূপ বুলি কওঁতে এটা সময়ত বৰ্তমান অৰুণাচলৰ অন্তৰ্গত অকা, ডফলা, আবৰ, মিছিমি আদি জনগোষ্ঠীও পৰে। এই অতীতৰ অসমৰ পৰা চকলা-চকলে গাৰো, মিজো, খাছী, জয়ন্তীয়া আৰু গাৰোপাহাৰ কটা গ'ল। নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰি এতিয়া হ'ল — নগাভূমি, মিজোৰাম, অৰুণাচল আৰু মেঘালয় ৰাজ্য। অতীতৰ এই সমগ্ৰ অসমৰ জনগোষ্ঠীৰ গাঁথনিলৈ যদি লক্ষ্য কৰা যায় তেন্তে দেখা যাব যে এই সকলোবোৰেই আৰ্য নাছিল। অসমলৈ বহিৰাগত হৈ অহা মংগোলীয় গোষ্ঠীয়ে তেওঁলোকৰ নিজা ভাষা, ধৰ্ম আৰু সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ এটা সময়ত থলুৱা লোকৰ প্ৰভাৱত এৰিব লগা হয়। এই অসম দেশত প্ৰাচীন কালৰে পৰা হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজৰ কৃষ্টি-সংস্কৃতি প্ৰায় পৰিত্যাগ কৰে। থলুৱা জন-জাতীয় সংস্কৃতিত ধৰ্মই বিশেষ স্থান লাভ কৰিছিল। এটা সময়ত ম'হ-বলি, নৰ-বলি পৰ্যন্ত হৈছিল। সমগ্ৰ অসম দেশখনেই যাদু-মন্ত্ৰ আৰু ঐন্দ্ৰজালিক বিদ্যাৰ কাৰণে প্ৰাচীন কালৰে পৰা প্ৰসিদ্ধ আছিল।

অসমৰ পুৰণি সাহিত্যৰ সমল হৈছে — অলিখিত গৰখীয়া নাম, নিচুকনি গীত, নাও খেলা গীত, বাৰমাহী গীত, আইনাম, বিয়া নাম, বনগীত, বিহুগীত, দেহ বিচাৰৰ গীত, মন্ত্ৰ সাহিত্য, ডাকৰ বচন আদি। কিন্তু লিখিত ৰূপলৈ অহাৰ লগে লগে কিছুমান গীত মূলৰ পৰা বেলেগ হৈ গ'ল। আধুনিকতাৰ প্ৰভাৱ পৰিল। মুঠতে এটা সময়ত অসমৰ আৰ্য-সংস্কৃতিতকৈ প্ৰাক্ -আৰ্য সংস্কৃতিহে গুৰুত্বপূৰ্ণ আছিল। অতীতৰ বুৰঞ্জী দোহোৰাবৰ কোনো কাৰণ নাই যে কি কি কাৰণত অসমৰ একালৰ বাসিন্দাসকলৰ মাজত ত্ৰয়োদশ শতিকাৰ

www.careerindia.com

পৰা কি ধৰণে এই দেশত আহোম-মুছলমান আৰু ভাৰতত অন্যান্য ৰাজ্যৰ লোকসকল ইয়ালৈ আহি নিগাজীকৈ বহাৰ সুযোগ পালে। কোনোবাই দেশ জয় কৰিবলৈ আহিল। কোনোবাই আকৌ যুদ্ধবন্দী হিচাপে ৰ'ল। কোনোবা বেপাৰ বাণিজ্য সূত্ৰে বহি ল'লে, কোনো আকৌ পূজা-পাৰ্বণ আৰু তীৰ্থ-সংক্ৰান্তত অসমলৈ আহিল। বহুতে আকৌ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অসম দেশত নিগাজীকৈ বহিল। সেই কালৰ সৰল-সহজ কছাৰী, চুটিয়া, কোচ, বড়ো আদিয়ে নিৰ্বিবাদে সকলোকে গ্ৰহণ কৰিলে। সকলোৱে নিজ নিজ ধৰ্ম আচৰণ কৰি নিজ নিজ সংস্কৃতি ৰক্ষা কৰিবলৈ ল'লে। একে ভৌগোলিক পৰিবেষ্টনিত থাকি ওচৰা-ওচৰিকৈ এটা সম্প্ৰদায় আনটো সম্প্ৰদায়ৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল। সেই সময়ত বাহিৰৰ পৰা অহা মানুহবোৰ যি ঠাইৰ পৰা মূলতে আহিছিল সেই ঠাইৰ লগত সম্বন্ধ ছেদ কৰি এই দেশৰ ভাষা-সংস্কৃতি ক্ৰমান্বয়ে গ্ৰহণ কৰিবলৈ ধৰিলে। এইয়া হ'ল এটা সংস্কৃতিসম্পন্ন জাতি আন এটা সংস্কৃতিসম্পন্ন জাতিৰ লগত জাহ যোৱাৰ ব্যৱস্থা। বাহিৰৰ পৰা অহা সকলোৱেই এই দেশখনক নিজৰ দেশ বুলি ল'লে — ভাষাক নিজৰ ভাষা বুলি গ্ৰহণ কৰিলে। গতিকে এই সকলো লগ লাগি বৃহৎ অসমীয়া জাতি গঢ়ি উঠিল। লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল। এটা সম্প্ৰদায়ৰ ভাল লগা কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আন এটাই গ্ৰহণ কৰিলে। খোৱা বা ৰন্ধন প্ৰকৰণৰো সাল-সলনি হ'ল। পোছাক-পৰিচ্ছদতো পৰিবৰ্তনে দেখা দিলে। দৈনন্দিন ব্যৱহাৰৰ আচবাব-পত্ৰতো পৰিবৰ্তন সূচালে — নতুন সাজ-সজ্জা , অলংকাৰ আহিল। এয়া আছিল দিয়া-লোক আৰু এৰা-ধৰাৰ ব্যৱস্থা। কোনোৱে কাকো জাপি দিয়া নাছিল।

ভাষাৰ ক্ষেত্ৰতো একেই। থলুৱা অসমীয়া ভাষাতো নানা ভাষাৰ শব্দমালাই ঠাই পালে। ভাষিক সংমিশ্ৰনে অসমীয়া জাতি আৰু সংস্কৃতিক বেছি কট্‌কটীয়া কৰিলে। গতিকে অসমীয়া সংস্কৃতিত ইয়াৰ পূৰ্বৰ থলুৱা গোষ্ঠীৰ উপাদানৰ উপৰি আহোম, মুছলমান আৰু উত্তৰ ভাৰতীয় ব্ৰাহ্মণ-ক্ষত্ৰিয়সকলৰ সংস্কৃতিগত উপাদানৰ সংমিশ্ৰণ ঘটিল। যেতিয়া বাহিৰৰ পৰা অহাসকলে থাইলেও, দিল্লী আৰু কনৌজ আদি ঠাইৰ লগত সম্বন্ধ বিচ্ছিন্ন কৰি অসমীয়াৰূপে নিজকে গণ্য কৰি এই দেশীয় সংস্কৃতি গ্ৰহণ কৰি থাকিবলৈ ল'লে তেতিয়া আৰু সেইসকল অসমত বিদেশী হৈ নাথাকিল। একমাত্ৰ নিজ নিজ ধৰ্ম পালন কৰি সংস্কৃতিগতভাৱে থকাটোতহে স্বকীয়তা পৰিলক্ষিত হ'ল। ভাৰতৰ সংবিধান স্বীকৃত ধৰ্ম নিৰপেক্ষ নীতি অঘোষিতভাৱে কোনোবা কালৰে পৰা অসম ৰাজ্যত বৰ্তি আছিল। ধৰ্ম পালন কৰিবলৈ যোৱাটোতহে নামঘৰ, মছজিদ, মন্দিৰ, বৌদ্ধ-বিহাৰ আদি অনুষ্ঠান প্ৰৱৰ্তন হোৱা দেখিবলৈ পাওঁ। বাকী সকলো ক্ষেত্ৰত বিৰাট অসমীয়া জাতি — এটা সংমিশ্ৰিত সংস্কৃতিসম্পন্ন জাতি — ইয়াক নুই কৰাৰ কোনো যুক্তি-তৰ্কৰ অৱকাশ নাই।

প্ৰশ্ন ঃ

www.careerindia.com

CAREERINDIA

I) মংগোলীয় গোষ্ঠীৰ লোক সকল ক'ৰ পৰা অসমলৈ আহিছিল? 1

II) অতীত অসম বা কামৰূপ বুলি কওঁতে কোনবোৰ জনগোষ্ঠীক সামৰি লৈছিল? 1

III) মংগোলীয় গোষ্ঠীৰ লোকসকলে কিয় তেওঁলোকৰ নিজা ভাষা, ধৰ্ম আদি এৰিব লগা হৈছিল। 2

IV) অসমত প্ৰাচীন কালৰে পৰা কোন দুটা ধৰ্ম প্ৰচলিত আছিল? 1

V) আহোমসকলে বসতি স্থাপন কৰাৰ পিছত কি ধৰ্ম গ্ৰহণ কৰিছিল? 1

VI) প্ৰাচীন কালৰে পৰা অসম কিহৰ কাৰণে প্ৰসিদ্ধ আছিল? 1

VII) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি লিখা। 2

VIII) কি কি কাৰণত ভাৰতৰ অন্যান্য ৰাজ্যৰ লোক সকল অসমলৈ নিগাজীকৈ বসতি স্থাপন কৰিবলৈ লৈছিল। 2

IX) বৃহৎ অসমীয়া জাতি কেনেদৰে গঢ়ি উঠিল? 1

X) কোন কেইটা জনগোষ্ঠী অনাৰ্য জাতিৰ ভিতৰত পৰে? 1

XI) বৰ্তমান অৰুণাচলৰ অন্তৰ্গত কেইটামান জন-গোষ্ঠীৰ নাম লিখা। 1

XII) অতীতত কোনটো সংস্কৃতি বেছি গুৰুত্বপূৰ্ণ আছিল? 1

2) তলত দিয়া যিকোনো পাঁচটা জতুৱা খণ্ডবাক্য লৈ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰাঃ 1x5=5

(i) কঁকাল বান্ধ (ii) গা-গধূৰ (iii) ঘৰ গোণা

(iv) চকুত লগা (v) হাত লৰ (vi) মন কৰ

3) একে উচ্চাৰণ বিশিষ্ট শব্দবোৰ লৈ বাক্য ৰচনা কৰি অৰ্থৰ প্ৰভেদ দেখুওৱা ঃ 1x5=5

(i) হাড়ি
হাড়ী
হাৰী

(ii) ভেটি
ভেঁটী

4) তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ 1x5=5

(i) নিৰ্ভীক (ii) জাগৰণ

(iii) মুক্ত (iv) মিতব্যয়ী

(v)ভোতা

5) তলত দিয়া শব্দবোৰৰ দন্ত্য 'স' মূৰ্দ্ধন্য 'ষ' হোৱাৰ কাৰণ দৰ্শোৱাঃ 1x3=3

(i) চাক্ষুষ (ii) শ্ৰীচৰণেষু (iii) অভিলাষ

www.careerindia.com

6) বন্ধনীত দিয়া নির্দেশ অনুসৰি বাক্য পৰিবৰ্তন কৰাঃ 1x3=3

(i) তুমি যে চোকা, মই আগতে নাজানিছিলোঁ। (সৰল বাক্যলৈ)

(ii) যদি মোৰ কথামতে নচলা, তেনেহ'লে তুমি বিপদত পৰিবা। (যৌগিক বাক্যলৈ)

(iii) লাচিতে মোগলক জয় কৰিলে আৰু গুৱাহাটীৰ পৰা খেদিও দিলে। (মিশ্ৰ বাক্যলৈ)

7) (i) অসমীয়া স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি? উদাহৰণৰ সৈতে বুজাই লিখা। 2

ii) লিংগ পৰিবৰ্তন কৰা ঃ 1x2=2

বৈষ্ণৱ, শাৰদীয়

## PART - B

8) ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা আৰু শিৰোনামাৰ লগতে নীতি-শিক্ষাও উল্লেখ কৰিবা। 5

সংকেত ঃ নৈৰ দাঁতি কাষৰীয়া গাঁৱত সীমান্তৰ ঘৰ ............. ৰঙা নদীৰ প্ৰবল বানত সিহঁতৰ ঘৰ-দুৱাৰ, গৰু-ম'হ উটি গ'ল ........... তাৰ কিতাপ পত্ৰসমূহো নষ্ট হ'ল ........ বিদ্যালয়খন পানীৰ তলত ........... ।

নাইবা

খ) তলত দিয়া যিকোনো এখন ৰচনা লিখাঃ 5

(i) সমাজ গঠনত ছাত্ৰৰ কৰ্তব্য

(ii) জীৱন-চৰিত পাঠ

9) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা শিল্পী দিৱসৰ বিষয়ে এখন প্ৰতিবেদন লিখি বাতৰি কাকতত প্ৰকাশৰ বাবে যুগুত কৰা। 2+3=5

10) তলত দিয়া যিকোনো এটাৰ ভাৱ সম্প্ৰসাৰণ কৰাঃ 5

(i) অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে।

(ii) নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।

11) তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ অৰ্থ বুজাই লিখা ঃ 5

(i) এনে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া।

(ii) হৰিণাৰ মাংসই বৈৰী।

www.careerindia.com

CAREERINDIA

12) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) বাণীকান্ত কাকতীয়ে বৰগীতবোৰক কিয় Noble Numbers বুলি কৈছে?

(ii) জ্যোতি প্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(iii) কেশৱ মহন্তদেৱৰ দুখন কবিতা পুথিৰ নাম লিখা।

13) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ "আঘোণৰ কুঁৱলী"ত কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা ।

(ii) 'জনতাৰ আহ্বান' কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাৱ প্ৰকাশ পাইছে?

(iii) 'উঠৰে উঠ বাপু'— বৰগীতটিৰ মাজেৰে যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা।

14) তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) লক্ষ্মীনাথ বেজবৰুৱাক কটন কলেজৰ ছাত্ৰসকলে কিদৰে অভিনন্দন জনাইছিল?

(ii) আনন্দৰাম বৰুৱাই কেনেধৰণে নিজৰ সন্তোষ লাভ কৰিছিল?

(iii) কবিতা আৰু কথা কবিতাৰ মাজত কি কি পাৰ্থক্য আছে?

15) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত বুলি কৈছিল বুজাই লিখা।

(ii) 'মগনিয়াৰ' পাঠটিৰ মূলভাৱটি নিজৰ ভাষাত লিখা।

(iii) একাগ্ৰতা গুণে আনন্দৰাম বৰুৱাদেৱক কেনেদৰে সহায় কৰিছিল লিখা।

***

www.careerindia.com

CAREERINDIA

# Sample Question Paper Design - 2020-2021
## Subject : Assamese
## Class : XII
## Code : 114
## SET - I

**Time : 3 Hours** **Marks : 40 + 40 = 80**

## PART - A

১) তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

অলিম্পিক বিশ্বৰ সবাতোকৈ মহান আৰু সৰ্বজনীন ক্ৰীড়া সমাৰোহ। সমগ্ৰ বিশ্বৰ হাজাৰ হাজাৰ ক্ৰীড়াবিদ লক্ষ্য সাধনৰ দুৰ্বাৰ প্ৰচেষ্টাৰ অক্ষয় সংগ্ৰাম নিহিত হৈ আছে এই সমাৰোহত। গতি শক্তি আৰু ক্ৰীড়া নৈপুণ্যৰ গৌৰৱ-ৰঞ্জিত বিমূৰ্ত্ত প্ৰকাশে একোজন ক্ৰীড়াবিদক অনন্তকালৰ বাবে অবিস্মৰণীয় কৈ জিলিকাই ৰাখিছে অলিম্পিকৰ ইতিহাসৰ পাতত। বিশ্বৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদসকলে নিজকে গৰিমামণ্ডিত কৰি প্ৰতিষ্ঠা কৰাৰ সবাতোকৈ শ্ৰেষ্ঠ মঞ্চ অলিম্পিক ক্ৰীড়া সমাৰোহ। এই সমাৰোহত একো একোজন ক্ৰীড়াবিদ স্বমহিমাৰে ৰূপত উদ্ভাসিত হৈ বিশ্বদৰবাৰত প্ৰতিষ্ঠিত হয়। ইতিহাস ৰচিত হয় অলিম্পিকত। সেই ইতিহাসৰ মানুহৰ পৌৰষৰ পৰম পৰাকাষ্ঠা প্ৰদৰ্শনৰ।

অলিম্পিকৰ ইতিহাস অতি পুৰণি। ইয়াৰ আৰম্ভণি গ্ৰীচ দেশৰ অলিম্পিয়া চহৰত ৭৭৬ খৃঃপূৰ্বত। অলিম্পিয়াৰ অলিম্পিক পাহাৰত গ্ৰীক দেৱতা জিউচৰ মন্দিৰ অৱস্থিত। এই দেৱতাৰ সন্মানৰ অৰ্থেই মন্দিৰৰ সন্মুখৰ মুকলি পথাৰত আৰম্ভ হৈছিল জাতীয় খেল-ধেমালি প্ৰতিযোগিতা। শান্তিৰ সময়ত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে আৰম্ভ হোৱা প্ৰতিযোগিতা। এফালে আছিল দেৱতাৰ সন্মান প্ৰদৰ্শনৰ মহা মহোৎসৱ , আনফালে ই আছিল জাতীয় ঐক্য আৰু শান্তিৰ প্ৰতীক। বিজয়ী প্ৰতিযোগীসকলক বঁটা স্বৰূপে দিয়া হৈছিল জলফাই গছৰ একোডাল আৰু শিৰ সুশোভিত কৰা হৈছিল জলফাই গছৰ পাতেৰে সজোৱা একেটা মুকুটেৰে। খৃঃপূঃ ৭৭৬ ৰ পৰা খৃষ্টাব্দ ৩৯৬ লৈ একাদিক্ৰমে ১১৭২ বছৰ চলাৰ পাছত এই প্ৰতিযোগিতা সেই সম্ৰাট থিয়ড'চিয়াছে কোনো কাৰণত নিষিদ্ধ কৰি দিয়ে।

কিন্তু মানুহৰ সুন্দৰৰ সাধনাৰ অনিৰুদ্ধ প্ৰেৰণাই অলিম্পিকৰ গৌৰৱময় ঐতিহ্যক চিৰদিনৰ বাবে কালৰ বুকুত বিলীন হৈ যাবলৈ নিদিলে। ইয়াৰ পুনৰত্থান ঘটিল ১৮৯৬ খৃষ্টাব্দত। সেই বছৰৰ ৬ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ গ্ৰীচ দেশৰ ৰাজধানী এথেন্স চহৰত অনুষ্ঠিত হয় আধুনিক অলিম্পিক ক্ৰীড়া সমাৰোহ। এয়ে প্ৰথম বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহৰ আৰম্ভণি। এই বিশ্ব অলিম্পিকৰ প্ৰতিষ্ঠাতা আছিল ফ্ৰান্সৰ পিয়েৰ দা ফ্ৰেড্ আৰু গ্ৰীচৰ বেৰণ পিয়েৰ দা কুবাৰটিন। এই সমাৰোহত বিশ্বৰ ১৩ খন দেশৰ ৩১১ জন ক্ৰীড়া প্ৰতিযোগীয়ে বিশ্ব ইতিহাসৰ কষটি শিলত নাম খোদিত কৰিবলৈ আগবাঢ়ি আহিছিল। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে প্ৰতি ৪ বছৰৰ মূৰে মূৰে বিশ্বৰ বিভিন্ন মহানগৰীত এই সমাৰোহ অনুষ্ঠিত হৈ আহিছে। অৱশ্যে

www.careerindia.com

CAREERINDIA

১৯১৬ চনত প্ৰথম মহাসমৰ আৰু ১৯৪০ আৰু ১৯৪৪ চনত দ্বিতীয় মহা সমৰৰ বাবে সমাৰোহ অনুষ্ঠিত হোৱা নাছিল। ২৫ তম অলিম্পিক ২০০৪ চনত অলিম্পিকৰ জন্মনগৰী গ্ৰীচৰ এথেন্স চহৰত মহাসমাৰোহৰে অনুষ্ঠিত হৈ যায়।

বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহত এইবোৰ খেল-সন্নিবিষ্ট কৰা হৈছে ঃ এথ্‌লেটিকছ, জিমনাষ্টিকছ, বেদ্‌মিন্টন, ফুটবল, ভলীবল, হেণ্ডবল, বে'ছ বল, বাস্কেট বল হকী, টেনিছ. টেবুল টেনিছ, আৰ্চাৰী (ধনুবিদ্যা), মল্লযুদ্ধ, বক্সিং, চাইক্লিং, ছুইমিং (ডাইভিং আৰু ৱাটাৰ পল'সহ), ব'য়িং, শ্বুটিং, কেন'য়িং য়টিং, ওৱেট লিফটিং, ইকুৰেষ্ট্ৰিয়ান, ফেন্সিং, জুডো, মৰ্ডান পেন্টাথ্‌লন।

অলিম্পিকৰ আটাইতকৈ সন্মানজনক আৰু সৰ্বশ্ৰেষ্ঠ দৌৰ প্ৰতিযোগিতা হৈছে মাৰাথান ৰেচ। ইয়াৰ ইতিহাসো বিচিত্ৰ। ইয়াত নিহিত আছে এজন গ্ৰীক যোদ্ধাৰ অফুৰন্ত দেশপ্ৰেমৰো নিদৰ্শন। খৃঃপূঃ ৪৯০ ত সংঘটিত হোৱা এখন যুদ্ধত গ্ৰীকসকলে জয়লাভ কৰাৰ গৌৰৱৰ বাতৰিটো মাৰথান নামৰ ঠাইৰ পৰা এথেন্সলৈ কঢ়িয়াই আনিছিল ফাইডি স্পাইডিছ নামৰ এজন গ্ৰীক যোদ্ধাই। মাৰাথানৰ পৰা এথেন্সৰ দূৰত্ব ২৬ মাইল ৩৮৫ গজ। দৌৰি দৌৰি এই সুদীৰ্ঘ স্মৃতি চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যেই এই মাৰথন দৌৰ প্ৰতিযোগিতাৰ অৱতাৰণা কৰা হয়। মাৰথান দৌৰৰ দূৰত্বও ২৬ মাইল ৩৮৫ গজ।

অলিম্পিকৰ এটি অৰ্থপূৰ্ণ প্ৰতীক আছে। ই পাঁচটা আঙঠিৰ সমষ্টি। প্ৰথম শাৰীত ওচৰা উচৰিকৈ তিনিটা আৰু দ্বিতীয় শাৰীত দুটা আঙুঠি। দ্বিতীয় শাৰীৰ প্ৰথমটোৱে ওপৰৰ শাৰীৰ প্ৰথম আৰু দ্বিতীয় আঙুঠিক আৰু দ্বিতীয়টোৱে ওপৰৰ দ্বিতীয় আৰু তৃতীয় আঙুঠিক সাঙৰি ৰাখিছে। ওপৰৰ আঙুঠি তিনিটাৰ ৰং ক্ৰমে নীলা, ক'লা আৰু ৰঙা আৰু তলৰ দুটাৰ ৰং হালধীয়া আৰু সেউজীয়া। প্ৰতীকটোৰ পাঁচটা আঙঠিয়ে পৃথিৱীৰ পাঁচখন মহাদেশক বুজাইছে। ১৯২০ চনত বেলজিয়াৰ আণ্টোয়াপ চহৰত অনুষ্ঠিত অলিম্পিকত প্ৰথমবাৰৰ বাবে এই প্ৰতীক ব্যৱহাৰ কৰা হয়।

অতি প্ৰাচীনকালৰে পৰা জুইক চূড়ান্ত শক্তিৰ প্ৰতীক ৰূপে গণ্য কৰা হৈ আহিছে। অলিম্পিকতো পৱিত্ৰ অগ্নিক সাক্ষী কৰি শপত গ্ৰহণ কৰাৰ প্ৰথা প্ৰচলিত আছিল। আধুনিক অলিম্পিকত ১৯২৮ চনত হলেণ্ডৰ আমষ্টাৰডাম ষ্টেডিয়ামত অনুষ্ঠিত সমাৰোহত ইয়াৰ প্ৰথম ব্যৱহাৰ কৰা হয়। ১৯৩৬ চনত জাৰ্মানীৰ বাৰ্লিনত অনুষ্ঠিত অলিম্পিকৰ পৰা গ্ৰীচৰ অলিম্পিয়াত ৰখা অনিৰ্বাণ শিখা দৌৰবীৰসকলৰ দ্বাৰা ৰীলে যোগে সমাৰোহ স্থললৈ কঢ়িয়াই নিয়াৰ নীতি প্ৰচলিত হয়।

(i) অলিম্পিকৰ আৰম্ভণি কেতিয়া হৈছিল? 1

(ii) অলিম্পিক পাহাৰত কোন দেৱতাৰ মন্দিৰ আছে? 1

(iii) পূৰ্বতে অলিম্পিক খেলৰ বিজয়ীসকলক কি বঁটা দিয়া হৈছিল? 1

(iv) কেতিয়া, ক'ত প্ৰথম আধুনিক অলিম্পিক ক্ৰিয়া সমাৰোহ অনুষ্ঠিত হৈছিল? 2

www.careerindia.com

CAREERINDIA

v) কোন কোন চনত অলিম্পিক সমাৰোহ হোৱা নাছিল আৰু কিয় হোৱা নাছিল? 2

vi) অলিম্পিকৰ অৰ্থপূৰ্ণ প্ৰতীকটোৰ বিষয়ে বৰ্ণনা কৰা। 2

vii) জুইক কিহৰ প্ৰতীকৰূপে গণ্য কৰা হয়? 1

viii) ২৫ তম অলিম্পিকৰ খেল ক'ত অনুষ্ঠিত হৈছিল? 1

ix) অলিম্পিকৰ আটাইতকৈ সন্মানজনক আৰু সৰ্বশ্ৰেষ্ঠ দৌৰ প্ৰতিযাগিতাখনৰ নাম কি? 1

x) বিশ্ব অলিম্পিকৰ প্ৰতিষ্ঠাতা কোন আছিল? 1

xi) অলিম্পিক খেল প্ৰতিযোগিতা কিমান বছৰৰ মূৰে মূৰে পতা হয়? 1

xii) কাৰ স্মৃতি চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে মাৰথান দৌৰ প্ৰতিযোগিতা অৱতাৰণা কৰা হৈছিল। 1

(2) তলত দিয়া যিকোনো পাঁচটা জতুৱা খণ্ড বাক্য লৈ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰা ঃ 1x5=5

i) কাণ বাগৰা ii) চকু - চৰহা

iii) হাত দীঘল iv) দাঁতে - ওঠে নলগা

v) মন - মেল vi) পেট - মচা

(3) একে উচ্চাৰণ বিশিষ্ট শব্দবোৰ লৈ বাক্য ৰচনা কৰি অৰ্থৰ প্ৰভেদ দেখুওৱা ঃ 1x5=5

i) কথা ii) চুটি

iii) কঁথা iv) ছুটী

v) কঠা

(4) বিপৰীতাৰ্থক শব্দ লিখা ঃ 1x5=5

i) স্থাৱৰ ii) গুণী

iii) বিস্তৃত iv) গৃহস্থী

iii) উৰ্দ্ধ

(5) তলত দিয়া শব্দবোৰত দন্ত্য 'স' মূৰ্দ্ধন্য 'ষ' হোৱাৰ কাৰণ দৰ্শোৱা ঃ 1x3=3

i) দুষ্ট ii) যুধিষ্ঠিৰ iii) বিষম

(6) বন্ধনীত দিয়া নিৰ্দ্দেশ অনুসৰি তলৰ বাক্যবোৰ পৰিবৰ্তন কৰা ঃ 1x3=3

i) পৰিশ্ৰম কৰিলেহে উন্নতি কৰিব পাৰিবা। (যৌগিক বাক্যলৈ)

ii) মই পঢ়িবৰ সময়ত সি খেলে। (মিশ্ৰ বাক্যলৈ)

iii) যদি মনোযোগেৰে পঢ়া, তেনেহ'লে পৰীক্ষাত প্ৰথম স্থান পাবা। (সৰল বাক্যলৈ)

(7) ক) পুংলিংগ কাক বোলে? অসমীয়া ভাষাত পুংলিংগ হিচাবে ব্যৱহাৰ হোৱা যিকোনো দুটা শব্দ

www.careerindia.com

CAREERINDIA

লিখা। 2

খ) লিংগ পৰিবৰ্তন কৰা ঃ 1x2=2

i) অঁকৰা i) ছাগলীটো

## PART - II

(8) ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা আৰু শিৰোনামৰ লগতে নীতি শিক্ষাও উল্লেখ কৰিবা। 5x1=5

সংকেত ঃ আৰ্থিক দৈন্যতা শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে —— তাৰ উদাহৰণ প্ৰশান্ত —— দেউতাকে দিন হাজিৰা কৰে ——— প্ৰশান্তৰ শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি ——— হাইস্কুল শিক্ষান্ত পৰীক্ষাত এখন স্থান লাভ।

নাইবা

খ) তলত দিয়া যিকোনো এখন ৰচনা লিখা ঃ 5x1=5

i) শিক্ষামূলক ভ্ৰমণ

ii) ছাত্ৰৰ কৰ্তব্য

(9) তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা বিশ্ব পৰিবেশ দিৱসৰ বিষয়ে এখন প্ৰতিবেদন লিখি বাতৰি কাকতত প্ৰকাশৰ বাবে যুগুত কৰা। 2+3=5

(10) তলত দিয়া যিকোনো এটাৰ ভাব সম্প্ৰসাৰণ কৰা ঃ 5x1=5

(i) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

(ii) শ্ৰম সিদ্ধিৰ আমোঘ অস্ত্ৰ।

(11) তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ অৰ্থ লিখা ঃ 5x1=5

(i) ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হয়।

(ii) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰে।

(12) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) " মণি কাঞ্চন সংযোগ বুলিলে কি বুজা ?

(ii) আজি সুন্দৰৰ পূজা থাপনাত যাচিবি কিহেৰে যোড়শোপচাৰ — কবিতা শাৰীত যোড়শোপচাৰ শব্দটোৰে কি বুজায় ?

(iii) আঘোণৰ পথাৰত কাম আৰু কাম।" — কবিয়ে আঘোণৰ পথাৰত থকা কি কামৰ

www.careerindia.com

CAREERINDIA

বিষয়ে ইংগিত দিছে?

(13) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) জয়ন্তী গোষ্ঠীৰ কবিসকল কিহৰ প্ৰতি আকৰ্ষিত হৈছিল বুজাই লিখা।

(ii) অসমীয়া সাহিত্য সংস্কৃতি লৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান কিয় চিৰ স্মৰণীয় বুলি কোৱা হয়?

(iii) মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি বুজাই লিখা।

(14) তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 2x2=4

(i) কথা-কবিতা বুলিলে কি বুজা? ইয়াৰ এটা বৈশিষ্ট্য লিখা।

(ii) আনন্দৰাম বৰুৱাৰ সময়ত ভাৰতীয় মানুহে ইউৰোপলৈ যাবলৈ কিয় সাহ কৰা নাছিল?

(iii) 'মোৰ মাতৃ মুখ দৰ্শন' গীতটিত মাতৃ শব্দেৰে কি বুজোৱা হৈছে? কিমান বছৰৰ পিছত লেখকৰ মাতৃ মুখ দৰ্শন হৈছিল?

(15) যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 3x2=6

(i) 'হা-হা-হু-হু' কোন আছিল? এওঁলোকক কোনে কি কাৰণে সৃষ্টি কৰিছিল?

(ii) মহাপুৰুষৰ পদাংক অনুসৰণ কৰি মানুহে কেনেদৰে নিজক পৰিচালিত কৰিব পাৰে? 'আনন্দৰাম বৰুৱা' পাঠটিৰ আধাৰত বুজাই লিখা

(iii) 'মগনিয়াৰ' পাঠটিৰ কবি আৰু মগনিয়াৰ জনৰ মাজত হোৱা কথোপকথনখিনি তোমাৰ ভাষাত লিখা।

*****

www.careerindia.com